# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

Vol. XXI | YEAR OF OUR LORD JESUS CHRIST, MARCH 2021 | No. 10


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

**প্ৰভূৰ প্ৰশংসা হওঁক!**
**গীতমালা ৪৫ঃ১-১০**

১। মোৰ মন শুভ কথাৰে উপচি পৰিছে। মই ৰজাৰ বিষয়ে ৰচনা কৰা কথা বৰ্ণাইছো। মোৰ জিবা বেগী লিখকৰ কলমৰ নিচিনা।

২। আপুনি মনুষ্য সন্তানবিলাকতকৈ পৰম সুন্দৰ, আপোনাৰ ওঠ অনুগ্ৰহেৰে পৰিপূৰ্ণ; এই হেতুকে ঈশ্বৰে চিৰকাললৈকে আপোনাক আশীৰ্বাদ কৰিলে।

৩। হে বীৰ, আপোনাৰ ককালত নিজ তৰোৱাল বান্ধক, প্ৰতাপ আৰু মহিমাৰে আপোনাক বিভূষিত কৰক।

৪। সত্যতা, নম্ৰতা আৰু ধাৰ্মিকতাৰ কাৰণে, মহিমাযুক্ত হৈ ৰথত উঠি কাৰ্য সিদ্ধ কৰক, তাতে আপোনাৰ সোঁ হাতে আপোনাক ভয়ানক কাৰ্য শিকাব।

৫। আপোনাৰ কাঁড়বোৰ চোকা, জাতিবোৰ আপোনাৰ তলত পতিত হয়, ৰজাৰ শত্ৰুবোৰৰ অন্তৰত সেই কাঁড়বোৰ লাগিছে।

৬। আপোনাৰ সিংহাসন ঈশ্বৰৰ সিংহাসন, সেয়ে অনন্ত কাললৈকে থাকে, আপোনাৰ ৰাজদণ্ড ন্যায় দণ্ড।

৭। আপুনি ধাৰ্মিকতাক প্ৰেম কৰি দুষ্টতাক ঘিণ কৰে, এই হেতুকে আপোনাৰ বন্ধুবিলাকতকৈ অধিক আনন্দ ৰূপ তেলেৰে, ঈশ্বৰে, আপোনাৰ ঈশ্বৰে আপোনাক অভিষেক কৰিলে।

৮। আপোনাৰ সকলো বস্ত্ৰত গন্ধৰস, অগুৰু আৰু দালচিনিৰ গন্ধ ব্যাপিছে, হাতী দাতেৰে নিৰ্মিত অট্টালিকাৰ পৰা তাৰযুক্ত বাদ্যযন্ত্ৰই আপোনাক আনন্দিত কৰিছে।

৯। আপোনাৰ মান্যৱতী স্ত্ৰীবিলাকৰ মাজত ৰাজকন্যাবিলাক আছে, আপোনাৰ সোঁহাতে ওফীৰৰ সোণাৰে বিভূষিতা কুঁৱৰী থিয় হৈ আছে।

১০। হে কন্যা, আপুনি কাণ পাতি শুনি বিবেচনা কৰক, নিজৰ জাতি আৰু পিতৃ-ঘৰ পাহৰক।

# "মন পালটোৱা" কিয়নো স্ফৰ্গৰাজ্য ওচৰ হ'ল

মন পালটনৰ বিষয়টোলৈ কি হ'ল? আজিকালি মণ্ডলীসমূহত এই শব্দটোক কেতিয়াবাহে উল্লেখ কৰাটো শুনা যায়— আনকি বাপ্তিষ্ট, পেণ্টিকষ্টেল বা শুভবাৰ্তামূলক মণ্ডলীসমূহতো কেতিয়াবাহে শুনা যায়। পালকসকলেও আজিকালি তেওঁলোকৰ মণ্ডলীসমূহক পাপৰ বাবে শোক কৰিবলৈ — খেদ কৰিবলৈ আৰু তেওঁলোকৰ অপৰাধবিলাকৰ দ্বাৰাই খ্ৰীষ্টক আঘাত দিয়াৰ বাবে দুখ প্ৰকাশ কৰিবলৈ কেতিয়াবাহে আহ্বান কৰে।

পৰিৱৰ্তে, আজি আমি বহুত মঞ্চৰ পৰা শুনা বাৰ্তাটো হৈছে, "বিশ্বাস কৰক, খ্ৰীষ্টক গ্ৰহণ কৰক আৰু আপুনি ৰক্ষা পাব"। এই বাৰ্তাটিক ন্যায়সঙ্গত কৰা অধ্যায় পদটি হৈছে পাঁচনি কৰ্ম ১৬ঃ২৫-৩০।

এই শাস্ত্ৰাংশত, যেতিয়া পাঁচনি পৌলক বন্দী শাললৈ নি সুমুৱাই ৰাখিছিল তেতিয়া অকস্মাতে ভূমিকম্প হ'ল আৰু আটাই দুৱাৰ মুকলি হ'ল। দাৰোগাজনে বন্দীয়াৰবোৰ পলাল বুলি ভাবিলে। দাৰোগাজনে বন্দীয়াৰবোৰ পলাল বুলি ভাবিলে আৰু তেওঁ শাস্তিৰ ভোগাৰ ভয়ত তৰোৱাল উলিয়াই আপোন-ঘাতী হ'বলৈ উদ্যত হ'ল। তাকে দেখি পৌল আৰু চীলে ৰিঙিয়াই ক'লে, তুমি নিজকে হানি নকৰিবা; কিয়নো আমি আটাইবোৰ ইয়াতে আছোঁ।

তেতিয়া তেওঁ লৰি আহি এই পাঁচনিসকলৰ আগত পৰিলে আৰু তেওঁলোকক ক'লে, "...হে আতাসকল, পৰিত্ৰাণ পাবলৈ মই কি কৰিব লাগে? তেওঁলোকে ক'লে, "প্ৰভু যীচুত বিশ্বাস কৰা, তেহে তুমি আৰু তোমাৰ ঘৰৰ সকলোৱে পৰিত্ৰাণ পাবা" (পাঁচনি কৰ্ম ১৬ঃ৩০-৩১)।

আমি যেতিয়া এই শাস্ত্ৰাংশক অধ্যয়ন কৰো, এটা কথা মনত ৰখাৰ প্ৰয়োজন হ'ব যে, দাৰোগাজনে নিজ তৰোৱালখনেৰে আত্মহত্যা কৰিবলৈ উদ্যত হৈছিল। তেওঁ পাঁচনিসকলৰ আগত আঁঠুলৈ, ভগ্ন হৃদয়েৰে, কপি কপি — তেওঁ মন-পালটনৰ কেন্দ্ৰ বিন্দুত আছিল। গতিকে তেওঁৰ অন্তৰখন প্ৰকৃত বিশ্বাস যীচুক গ্ৰহণ কৰিবলৈ যুগুত হৈ আছিল।

মাৰ্কে লিখা শুভবাৰ্তাত খ্ৰীষ্টই তেওঁৰ শিষ্যই এইদৰে কয়, "তাতে যিজনে বিশ্বাস কৰি বাপ্তাইজিত হয়, তেওঁ পৰিত্ৰাণ

*৩ পৃষ্ঠাত চাওঁক*




# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

## ১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ

**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

**“ভয় নকৰিবা, মই তোমাৰ সৈতে আছো”**
(যিচয়া ৪৩ ঃ৫ )।



*from Editors...*

প্ৰভূত প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভূ আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ মধুৰ নামত প্ৰেমৰ শুভেচ্ছা জনালো।

আমি আশাকৰো যে এই অনিশ্চিয়তাৰ দিনবিলাকত আপোনালোকে আমাৰ প্ৰভূ যীচুখ্ৰীষ্টৰ নিৰাপত্তাক উপভোগ কৰি আছে। আমি একেৰাহে আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰি আছো।

কোভিড- ১৯ ৰ আক্ৰমণৰ পাছত, জাগতিক আটাই কাৰ্যকলাপবিলাকৰ পতন হৈছে। সাধাৰণ মানুহৰ আধ্যাত্মিক ব্যৱস্থাও মাৰাত্মকভাৱে ক্ষতিগ্ৰস্থ হৈছে! মানুহবিলাক স্বাৰ্থপৰ, লোভী আৰু জাগতিক হৈ গৈছে, আৰু জীৱনৰ নিৰাপত্তাহীনতাৰ বাবে ভীষণ ভয়ত আছে। কৰোণা মহামাৰীয়ে অনেকৰ জীৱনত প্ৰভাৱিত কৰাৰ বাবে, এতিয়া মানুহবিলাকে উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছে, যে এটা সৰ্বোচ্চ শক্তি আছে যিয়ে এই গোটেই পৃথিৱীৰ ব্যৱস্থাবোৰক নিয়ন্ত্ৰণ কৰি আছে। গতিকে এই পৃথিৱীৰ মানুহৰ বাবে প্ৰাৰ্থনা কৰিবলৈ প্ৰভূ যীচুখ্ৰীষ্টৰ সন্তানসকলৰ বাবে এতিয়াই হৈছে সঠিক সময় যাতে তেওঁলোকে প্ৰভূ যীচুখ্ৰীষ্টক চিনি পাব। আমাৰ আন্তৰিক ইচ্ছা আৰু প্ৰাৰ্থনা আছে যে পৃথিৱীৰ সকলো দেশসমূহৰ মানৱ জাতিৰ জীৱনত শুভবাৰ্তাৰ অস্তিত্বক নিব লাগিব। মণ্ডলীসমূহে গোটেই জগতলৈ শুভবাৰ্তাক নিয়াৰ যত্ন কৰিব লাগে। ৰোমীয়া ১৫ ঃ ১৯ পদত পৌলে কয়, “... সাধন কৰোতে, যিৰূচালেমৰ আৰু তাৰ চাৰিওফালৰ পৰা ইল্লুৰিয়ালৈকে, খ্ৰীষ্টৰ শুভবাৰ্তা সম্পূৰ্ণৰূপে প্ৰচাৰ কৰিলোঁ।” আৰু ২ কৰিন্থীয়া ৭ ঃ১ পদত কয়, “হে হেতুকে, হে প্ৰিয়বিলাক, এইবোৰ প্ৰতিজ্ঞা পোৱাত, আহঁা, আমি শৰীৰ আৰু আত্মাৰ সকলো মলৰ পৰা নিজকে শুচি কৰি, ঈশ্বৰলৈ ভয় ৰাখি, পবিত্ৰতা সিদ্ধ কৰোহঁক”।

গতিকে মনোযোগ দিয়ক, যাতে আমাৰ পৰিচৰ্যাসমূহ এটা বিশেষ লোকসমূহলৈ বা অশুচি প্ৰকাৰে শুভবাৰ্তা প্ৰচাৰ কৰা হ’ব নালাগে। আটাইবিলাক শুভবাৰ্তাত, মৃত কাৰ্য্যৰ পৰা মন-পালটন, ঈশ্বৰৰ প্ৰতি বিশ্বাস, বাপ্তিস্মৰ শিক্ষাসমূহ, মূৰত হাত দিয়া মৃত লোকৰ পুনৰুত্থান আৰু অনন্তকালস্থায়ী বিচাৰ আজ্ঞাৰ সম্ফন্ধীয় শিক্ষাৰ ভিত্তিমূল স্থাপন নকৰি, সিদ্ধিৰ অৰ্থে আগবাঢ়ি যাবলৈ যত্ন কৰোঁহক।”

জীৱিত ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ নাম নুশুনা লোকসমূহৰ বাবে আৰু তেওঁলোকৰ পৰিত্ৰাণৰ বাবে আমাৰ এটা গধূৰ বোজা আছে। আজিকালি ঈশ্বৰে গোটেই পৃথিৱীৰ লোকবিলাকলৈ আহিবলগীয়া তেওঁৰ শেষ বিচাৰৰ ভয়ানকতাৰ বিষয়ে জানিবলৈ আৰু খ্ৰীষ্টহীন জীৱনৰ পৰিনামৰ বিষয়ে আমি জানিবলৈ আমাক হেঁচা দি আছে।

এইবোৰ বিষয় মনত ৰাখি, আমি অনন্তকলীয়া দিশৰ ফালে কঠোৰ পৰিশ্ৰম কৰি আছো, কিন্তু মানুহে, বিশেষকৈ প্ৰভূ যীচুখ্ৰীষ্টৰ বিশ্বাসীবিলাকে এই পৃথিৱীৰ পতন হ’বলৈ যোৱা লোকবিলাকৰ অনন্তকলীয়া জীৱনৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। ঈশ্বৰৰ লোকবিলাকলৈ আহিবলগা শেষ বিচাৰৰ কথা মনত ৰাখি, প্ৰতিকূল শক্তিবোৰৰ মাজতো, আমি ঈশ্বৰৰ শুভবাৰ্তা দিবলৈ চেষ্টা কৰি আছো। আমাৰ ৰাজ্যিক সহ-পৰিচালক,


**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manger

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paul Raj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M.Phil., B.Ed.

**HEAD OFFICE CO-ORDINATORS**
Bro. John Rodrigues
Sis. E. Daisy Rani

**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Babu Rao, B.Tech., M.Tech (DM)
Aud. K. Puratchivendan, M.Com., B.L.



**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
E.mail : sam@echoofhiscall.org
biblecor@yahoo.co.in

**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com



**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

সহকাৰী সম্পাদকসকল, পৰিচালক আদিক তেওঁলোকৰ কাৰ্যকলাপসমূহক প্ৰভু যীচুখ্ৰীষ্টৰ বাবে দ্ৰুতগতিত আগবঢ়াই লৈ যাবলৈ প্ৰেৰণা যোগাবলৈ চেষ্টা কৰি আছো।

এই পৰিস্থিতিৰ বাবে যি লোকসকলক আমাক সহায় কৰিবলৈ আহ্বান কৰা হৈছিল, তেওঁলোকে নিজ দায়িত্ববোধক হেৰুৱাই দিছে, আৰু প্ৰকৃত পৰিচৰ্যা যেনে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ দৰে পৰিচৰ্যাক সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। এফালে আমি আৰ্থিক দিশত সমস্যাৰ সন্মুখীন হৈছো আৰু আনফালে জাগতিক ব্যৱস্থাৰ হেচাত পৰিছো। আমি প্ৰত্যেক বিষয়সমূহক ইয়াত উল্লেখ কৰিব নোৱাৰো।

গতিকে, আমাৰ প্ৰিয় বন্ধুসকল, শেষত এই কঠিন সময়ত আমাৰ বাবে প্ৰাৰ্থনা কৰক। আমাক আপোনাৰ প্ৰাৰ্থনা আৰু সহায়ৰ হাতৰ প্ৰয়োজন আছে।

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,
পালক, চাম ছেলভা ৰাজ।

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

পাব; কিন্তু যিজনে অবিশ্বাস কৰে, তেওঁৰ দণ্ডাজ্ঞা হ'ব" (মাৰ্ক ১৬ঃ১৬)। ইয়াত যীচুৰ এই বাক্যটিৰ পৰা স্পষ্টকৈ বুজা যায় যে পৰিত্ৰাণ কেৱল তেওঁক গ্ৰহণ কৰি বাপ্তিস্ম ল'লেই পোৱা যায়।

যি কি নহওক, যীচুৱে তেওঁৰ আগেয়ে দিয়া আজ্ঞাত কৈছিল ঃ "... তোমালোকে জগতৰ গোটেইখনলৈ গৈ, সমুদায় সৃষ্টিৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰা" (মাৰ্ক ১৬ঃ১৫) সাৰাংশত তেওঁ কৈছিল যে মানুহবিলাকে তেওঁত বিশ্বাস কৰাৰ আগতে তেওঁবিলাকক শুভবাৰ্তা দিব লাগিব। যীচুৱে কি ধৰণৰ শুভবাৰ্তাৰ বিষয়ে কৈছিল? যি শুভবাৰ্তা যীচুৱে নিজে প্ৰচাৰ কৰিছিল — মন-পালটনৰ শুভবাৰ্তা।

এই বিষয়ে চিন্তা কৰক — অৰণ্যত যীচুৱে পৰীক্ষাত পৰাৰ পৰা নিজকে ৰক্ষা কৰাৰ পাছত তেওঁৰ প্ৰথম বাৰ্তাটো কি আছিল? শাস্ত্ৰত কয়, সেই কালৰে পৰা যীচুৱে ঘোষণা কৰিবলৈ ধৰিলে, বোলে, মন-পালটোৱা; কিয়নো স্বৰ্গৰাজ্য ওচৰ হ'ল" (মথি ৪ঃ১৭)।

আনকি যীচুৱে মানুহবিলাকক তেওঁত বিশ্বাস কৰিবলৈ কোৱাৰ আগতে মন-পালটন কৰিবলৈ কৈছিল। মাৰ্কে এইদৰে লিখিছে, "... যীচুৱে গালীল দেশলৈ গৈ, ঈশ্বৰৰ শুভবাৰ্তা ঘোষণা কৰি কৰি ক'লে, "কাল সম্পূৰ্ণ হ'ল; ঈশ্বৰৰ ৰাজ্য ওচৰ হ'ল," তোমালোকে মন-পালটোৱা, আৰু শুভবাৰ্তাত বিশ্বাস কৰা" (মাৰ্ক ১ঃ১৪-১৫)। খ্ৰীষ্টই প্ৰচাৰ কৰি কৈছিল, "প্ৰথমে মন-পালটন কৰা — আৰু বিশ্বাস কৰা"। আৰু এঠাইত যীচুৱে তেওঁৰ পৰিচৰ্যাৰ বিষয়ে কৈছিল, "... কিয়নো মই ধাৰ্মিক নহয়, কিন্তু পাপীকহে নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ" (মথি ৯ঃ১৩)। তেওঁ গালীলীয়া লোককো ক'লে, "মই তোমালোকক কওঁ, তেনে নহয়; কিন্তু মন নাপালটালে, তোমালোক সকলো সেইদৰে বিনষ্ট হ'বা" (লুক ১৩ঃ৩)।

যীচুৰ শুভবাৰ্তাটো কেৱল মন-পালটনৰ ভিত্তিত আছিল!

## যোহন বাপ্তিস্ময়ো ইস্ৰায়েলবিলাকক খ্ৰীষ্টৰ আগমনৰ বাবে প্ৰস্তুত কৰিবলৈ মন-পালটনৰ বিষয়ে প্ৰচাৰ কৰিছিল।

যিহূদাবিলাককৈ যোহনে দিয়া বাৰ্তা সাধাৰণ আৰু স্পষ্ট আছিল ঃ "সেই কালত যোহন বাপ্তাইজকে আহি, যিহুদিয়াৰ অৰণ্যত ঘোষণা কৰি ক'লে, "মন পালটোৱা; কিয়নো স্বৰ্গৰাজ্য ওচৰ হ'ল" (মথি ৩ঃ১২)। বিভিন্ন ঠাইৰ পৰা মানুহবিলাকে যোহনৰ বাৰ্তা শুনিবলৈ আহিছিল আৰু তেওঁ তেওঁবিলাকক কোনো অনিশ্চিত চৰ্তত কোৱা নাছিল ঃ "তোমালোকৰ মাজত মছীহা সোনকালে আহিবলৈ হৈছে — গতিকে তেওঁক লগ পাবলৈ তোমালোক যুগুত হোৱাই ভাল! তোমালোক হয়তো তেওঁ আহি আছে বুলি উত্তেজিত হৈছা। কিন্তু মই তোমালোকক ক'ব বিচাৰো যে, তোমালোকৰ হৃদয়বিলাক যুগুত হোৱা নাই — কিয়নো তোমালোক এতিয়াও পাপবোৰক ধৰি ৰাখিছা! "বাহিৰফালে তোমালোক দেখিবলৈ পৰিস্কাৰ আৰু পবিত্ৰ যেন থাকা। কিন্তু ভিতৰফালে হ'লে, তোমালোকত মৃত মানুহৰ হাড় ভৰি থকা যেন হৈ আছা! তোমালোকৰ বংশবোৰ সৰ্পৰ বংশ আৰু তোমালোকত একেবাৰে ঈশ্বৰৰ ভয় নাই। তথাপি তোমালোক পাপী হোৱাৰ কোনো ধাৰণা নাই। মই তোমালোকক সাৱধান কৰি দি কওঁ — তোমালোকে ত্ৰাণকৰ্তাক বিশ্বাস কৰি তেওঁক অনুসৰণ কৰাৰ আগেয়ে তোমালোকৰ পাপবোৰৰ পৰা ওলাই আহাঁ"

গতিকে, মন-পালটন কৰা, তোমালোকৰ পাপবোৰৰ পৰা ঘূৰি আহাঁ — আৰু প্ৰকৃত পৰিবৰ্তন যাতে প্ৰতিবিম্ফহয় তেনে জীৱন-যাপন কৰা! পঞ্চাছদিনীয়া পৰ্বৰ দিনা পিতৰে লোকসমূহলৈ কি প্ৰচাৰ কৰিছিল? বাইবেলে আমাক কয় যে যেতিয়া মানুহবিলাকে পাঁচনিৰ সাক্ষ্য শুনিলে, "... তেওঁবিলাকৰ হৃদয় বিন্ধাত, তেওঁবিলাকে... ক'লে, হে ভাইসকল, আমি কি কৰিম? তাতে পিতৰে তেওঁবিলাকক ক'লে, তোমালোকৰ পাপ-মোচনৰ অৰ্থে মন-পালটোৱা, আৰু যীচুখ্ৰীষ্টৰ নামেৰে প্ৰতিজন বাপ্তাইজিত হোৱা; তেতে তোমালোক পবিত্ৰ আত্মা দান পাবা" (পাঁচনিৰ কৰ্ম ২ঃ৩৭-৩৮)।

পিতৰে এই মানুহবিলাকক কেৱল "বিশ্বাস কৰা আৰু ৰক্ষা পোৱা" বুলি কোৱা নাছিল। যীচুক ভোট দিবৰ বাবে কেৱল এটা সিদ্ধান্ত ল'বলৈ তেওঁ কোৱা নাছিল। নহয় তেওঁ তেওঁবিলাকক প্ৰথমে মন-পালটন কৰিবলৈ কৈছিল, তাৰ পাছত বাধ্যতাত খ্ৰীষ্টলৈ বাপ্তিস্ম ল'বলৈ কৈছিল! পৌলে আৰেয়পাগৰ মাজত থিয় হৈ কি কথা ক'লে? তেওঁ তেওঁবিলাকক ক'লে, "... ঈশ্বৰে সকলো ঠাইতে আটাই মানুহক মন-পালটনলৈ ক'লে" (পাঁচনিৰ কৰ্ম ১৭ঃ৩০)।

এই জ্ঞানী গ্ৰীক লোকবিলাকে ঈশ্বৰত বিশ্বাস কৰাত সমস্যা পোৱা নাছিল। অৰ্থাৎ, আপুনি ক'ব পাৰিব যে তেওঁবিলাকে অতীতৰ পৰাই অনেক দেৱতাক "বিশ্বাস" কৰি আহিছিল — প্ৰথমে এজনক, তাৰ পাছত আনজনক। কেতিয়াবা কোনোৱে যদি তেওঁবিলাকৰ মাজত আহি প্ৰত্যয় জন্মায় এজন দেৱতাৰ বিষয়ে প্ৰচাৰ,

তেওঁবিলাকে তাক বিশ্বাস কৰিছিল। যদিও তেওঁবিলাকে বিশ্বাস কৰিছিল — কিন্তু তেওঁবিলাকে তেতিয়াও পাপ কৰিছিল। কেৱল বিশ্বাস কৰাটোৱেই যথেষ্ট নাছিল!

পৌলে এই লোকবিলাকক ক'লে, "নহয়, নহয় - সেইজন খ্ৰীষ্ট নহয়! আপোনালোকৰ ঈশ্বৰৰ তালিকাত যীচুক এনেয়ে যোগ কৰিলে নহ'ব। আপোনালোকে এইবোৰত বিশ্বাস কৰিব পাৰে, কিন্তু যীচুৰ সৈতে আপোনালোকে তেনে কৰিব নোৱাৰে। তেওঁ আপোনালোকৰ পাপবোৰৰ পৰা ৰক্ষা কৰিবলৈ আহিছে আৰু তেওঁ তেওঁক অনুকৰণ কৰা লোকসকলক মন-পালটন কৰিবলৈ আৰু পবিত্ৰ হ'বলৈ কৈছে!" পৌলে এই একেই মন-পালটনৰ শুভবাৰ্তা আগ্ৰিপ্প ৰজাকো কৈছিল, তেওঁ ক'লে, "... মই সেই স্বৰ্গীয় দৰ্শন অমান্য নকৰিঃ প্ৰথমতে দম্মেচক আৰু যিৰূচালেমত থকাবিলাকৰ আগত, পাছে যিহূদিয়াৰ আটাই অঞ্চলত আৰু পৰজাতিবিলাকৰ আগতো, তেওঁবিলাকে যেন মন পালটাই ঈশ্বৰলৈ ঘুৰি, মন-পালটনৰ যোগ্য কৰ্ম কৰে, এই কাৰণে প্ৰচাৰ কৰিলোঁ" (পাঁচনি কৰ্ম ২৬ঃ১৯-২০)।

পৌলে কৈ আছে, "যি ঠাইতে মই যাওঁ, তাতেই মই মন-পালটনৰ বিষয়ে প্ৰচাৰ কৰো। আৰু প্ৰকৃত মন-পালটনে ইয়াৰ কাৰ্যৰ দ্বাৰাই নিজৰ প্ৰমাণ দিয়ে!" এই শাস্ত্ৰাংশবোৰে স্পষ্ট কৰি দিয়ে যে, যি শুভবাৰ্তাঃ "তোমাৰ পাপৰ প্ৰায়চিত্তৰ বাবে মন-পালটন কৰা" যোহন আৰু যীচুৱে প্ৰচাৰ কৰিছিল এই একে শুভবাৰ্তাক পাঁচনিমূলক মণ্ডলীসমূৱেও লাজ নকৰাকৈ প্ৰচাৰ কৰিছিল!

## মন-পালটন কৰা মানে কি বুজায় ?

কিছুমান খ্ৰীষ্টিয়ান লোকসকলে মন-পালটন বুলিলে "ঘূৰি অহা" আৰু বিপৰীত দিশলৈ যোৱা বুলি বিশ্বাস কৰে! কিন্তু বাইবেলে আমাক মন-পালটনৰ অৰ্থক তাতোকৈ অধিক বুজায় বুলি কয়। এবাৰ মই এজন ব্যক্তিয়ে কোৱা শুনিছো, "মই আনন্দ পাওঁ, কিয়নো মই নতুন নিয়মৰ এই গ্ৰীক শব্দক জানো। 'মন-পালটন" শব্দটোৰ অৰ্থক, 'এজনৰ মন পৰিবৰ্তন বুলি অনুবাদ কৰিছে। নহয় — এই মানুহজনে তেওঁৰ গ্ৰীক শব্দক নাজানে! "মন-পালটন" শব্দক নতুন নিয়মত ইয়াৰ প্ৰকৃত অৰ্থটোক "এজনে ঈশ্বৰৰ বিৰুদ্ধে কৰা তেওঁৰ পাপবিলাকৰ বাবে অনুতাপ অনুভৱ কৰা আত্ম তিৰস্কাৰ কৰা; খেদ কৰা, শোক কৰা; আৰু দিশ পৰিবৰ্তন কৰাক বুজাইছে।" ইয়াত অৰ্থত প্ৰাৰ্থকটো "অভাৱ" শব্দটোত নিৰ্ভৰ কৰিছে। প্ৰকৃত মন-পালটনত পৰিবৰ্তন হ'বলৈ এটা আগ্ৰহ থাকে! তাৰোপৰি, এনেই খেদ কৰিলে মন-পালটন গঠন নহয়। বৰং শোক অনুভৱ কৰিলেহে মন-পালটন হয়। পৌলে এইদৰে কয়, "কাৰণ ঈশ্বৰৰ ইচ্ছাৰ দৰে হোৱা মনোদুখে, পালটিব নলগা পৰিত্ৰাণলৈ মন পালটন কৰায়; কিন্তু সাংসাৰিক মনোদুখে, মৃত্যু সাধন কৰে" (২ কৰিন্থীয় ৭ঃ১০)

ইয়াত পৌলে খেদহীন শোক কৰাৰ কথা কৈছে — প্ৰকৃততে এজনে তেতিয়া আচল ব্যক্তি হ'ব, যিজনে অনুতপ্তৰ জীৱনত "লাগি" থাকে। এই ধৰণৰ ঐশ্বৰীক অনুতাপে স্বাভাৱিকতে মন-পালটন উৎপন্ন কৰে, যিয়ে পাপৰ প্ৰতি ঘৃণা কৰায়, ঈশ্বৰৰ প্ৰতি ধাৰ্মিক ভয় কৰাই আৰু সকলো ভুলবোৰক শুধৰায়। পৌলে বিশ্বাসীবিলাকলৈ মন-পালটনৰ শিক্ষা দিয়াৰ বাবে আচৰিত নহ'ব। তেওঁ কৰিন্থীয়া মণ্ডলীলৈ মন-পালটনৰ এটা শক্তিশালী বাৰ্তা দিছিল। কৰিন্থীয়াৰ বিশ্বাসীবিলাকে ঈশ্বৰৰ বাক্যৰ পৰাক্ৰমী শিক্ষকৰ অধীনত থাকি, ঈশ্বৰৰ দ্বাৰাই প্ৰচুৰ পৰিমানে আশীৰ্বাদপ্ৰাপ্ত হৈছিল। তথাপি তেওঁবিলাকৰ সমাজে পাপৰ সৈতে দুখ কৰি থাকি গৈছিল।

প্ৰথমে পৌলে কৰিন্থীয়াবিলাকলৈ সাক্ষ্য দিয়ে, "সকলো ধৈৰ্য্য, আচৰিত চিন, অদ্ভূত লক্ষণ আৰু পৰাক্ৰম কাৰ্যৰ দ্বাৰাই পাঁচনিৰ চিন তোমালোকৰ মাজত প্ৰকাশ হৈছিলহে" (২ কৰিন্থীয়া ১২ঃ১২)। কিন্তু তেতিয়া পৌলে তেওঁবিলাকক একেবাৰে পোনে পোনে কয় ঃ "কিয়নো মোৰ ভয় আছে যে, মই যোৱা কালত তোমালোকক যি ৰূপ দেখিবলৈ ইচ্ছা নকৰো..." (২ কৰিন্থীয়া ১২ ঃ ২০)। পৌলৰ ভয়টোনো কি আছিল ? ভয়টো এইদৰে আছিল ঃ "তাতে পুনৰবাৰ গ'লে, মোৰ ঈশ্বৰে তোমালোকৰ আগত মোক সৰু কৰিব, আৰু যিবিলাকে আগেয়ে পাপ কৰিছিল, কিন্তু একো খেদ কৰা নাই, এনে অনেক মানুহে কৰা অশুচি কাৰ্য্য, ব্যভিচাৰ আৰু লম্পট আচৰণৰ বিষয়ে, মই তেওঁবিলাকৰ কাৰণে শোক কৰিব লাগিব" (২ কৰিন্থীয়া ১২ ঃ ২১)।

এই কোমল হৃদয়ৰ মেৰৰখীয়াজনে কৰিন্থীয়াৰ এই সাধুসকলৰ বুজাবুজি থকা জ্ঞানক দেখি ভাল পাইছিল। তথাপি তেওঁ জানিছিল যে যদি তেওঁলোকৰ জীৱন পদ্ধতিত অবোধ পাপবোৰ আছে, সেইবোৰ ভুল হয় বুলি শিক্ষা দিব লাগে। গতিকে তেওঁ তেওঁবিলাকক ক'লে, 'যেতিয়া মই তোমালোকৰ ওচৰলৈ পুনৰবাৰ আহিম, তোমালোকে মোৰ মূৰ শোকত তল হৈ থকা দেখিবা। চকুলোৱে মোৰ চকু দুটি ভৰি থাকিব আৰু শোকত মোৰ মুখৰ মাত নোলোৱা হ'ব।" "যদি মই তোমালোকক একেৰাহে অশুচি কাৰ্য, ব্যভিচাৰ আৰু লম্পট আচৰণ কৰি থকা দেখো, মই একেবাৰে ভাঙি পৰিম-কিয়নো তোমালোকৰ হৃদয়ত শুভবাৰ্তাই কোনো প্ৰভাৱ নেপেলালে। তোমালোক তোমালোকৰ পাপবোৰৰ পৰা মন-

**Statement about ownership and other particulars about the Newspaper Echo of His Call (Assamese) - Form IV**
**(See Rule 8)**

| | | |
|---|---|---|
| 1. Place of Publication | : | **10, Mohammed Abdullah Street, Chepauk, Chennai - 600 005** |
| 2. Periodicity | : | **Monthly** |
| 3. Printer, Editor, Owner & Publisher | : | **S. Sam Selva Raj** (Same Address) |
| 4. Nationality | : | **Indian** |

I **S. Sam Selva Raj**, hereby that the particulars given above are true to the best of my knowledge and belief.

**March 2021** **S. Sam Selva Raj.**

ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২১ চনৰ ১৯ মাৰ্চৰ পৰা ২০২১ চনৰ ১৮ এপ্ৰিললৈ**

### প্ৰশংসাৰ বিষয়সমূহ

**মাৰ্চ ২০** ঃ মণিপুৰী ভাষাত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিখন নতুনকৈ সংযোজন কৰি প্ৰকাশ কৰাত সহায় কৰিলে।

**মাৰ্চ ২১** ঃ আমাৰ বিব্লিকৰ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমক ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে প্ৰশংসা কৰোহক।

**মাৰ্চ ২২** ঃ যোৱা মাহত ঈশ্বৰে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহক আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২৩** ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহকসকল, বিশ্বাসী অংশীদাৰসকল আৰু জীৱনজোৰা অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে আমাৰ প্ৰভু ঈশ্বৰক আমি প্ৰশংসা কৰোহক।

**মাৰ্চ ২৪** ঃ আমাৰ মণ্ডলীত অভিষেকপ্ৰাপ্ত নতুন বিশ্বাসীসকলক আশীৰ্বাদ কৰাৰ বাবে আমি ঈশ্বৰক প্ৰশংসা কৰোহক।

**মাৰ্চ ২৫** ঃ ঈশ্বৰে আমাক ৰাজ্যিক পৰিচালকসকল আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গক দিয়াৰ বাবে প্ৰভুক প্ৰশংসা কৰোহক।

**মাৰ্চ ২৬** ঃ আমাৰ মিশ্বনেৰী যাত্ৰাকালত আশীৰ্বাদ কৰাৰ বাবে আমি কৃতজ্ঞতাৰে প্ৰশংসা কৰোহক।

**মাৰ্চ ২৭** ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

**মাৰ্চ ২৮** ঃ আমাৰ ছপাশাল আৰু ১৭ টা ভাষাত ছপাকাৰ্য কৰিবলৈ আৰু মিশ্বন ক্ষেত্ৰসমূহলৈ পঠিয়াবলৈ আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক আমি প্ৰশংসা কৰোহক।

**মাৰ্চ ২৯** ঃ আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ অনলাইন ক্লাচবোৰক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ৩০** ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ শিক্ষকসকল আৰু কৰ্মচাৰীসকলক ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে আমি সম্পূৰ্ণকৈ ঈশ্বৰক প্ৰশংসা কৰো।

**মাৰ্চ ৩১** ঃ ২০২০ চনত কোভিড-১৯ ৰ মাজতো আমাক জীয়াই থকাত আশীৰ্বাদ কৰাৰ বাবে আমি ঈশ্বৰক প্ৰশংসা কৰোহক।

**এপ্ৰিল ০১** ঃ কোভিড-১৯ ৰ মাজতো আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ সকলো কাৰ্যত ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে প্ৰশংসা কৰোহক।

**এপ্ৰিল ০২** ঃ পুনৰায় আমাৰ মুখ্য মণ্ডলীৰ আৰাধনাবিলাক নিয়মীয়াকৈ চলি যোৱাত আমি ঈশ্বৰক প্ৰশংসা কৰোহক।

**এপ্ৰিল ০৩** ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো দুষ্ট শক্তিবোৰৰ পৰা আমাৰ প্ৰভু ঈশ্বৰে নিৰাপত্তা প্ৰদান কৰিছে।

### প্ৰাৰ্থনা বিষয়বস্তুসমূহ

**এপ্ৰিল ০৪** ঃ ২০২০ চনত আমি লগপোৱা বন্ধুবৰ্গ আৰু বিশ্বাসীসকলক আশীৰ্বাদ কৰিবলৈ আমি প্ৰাৰ্থনা কৰো।

**এপ্ৰিল ০৫** ঃ শুভবাৰ্তা পত্ৰিকাৰ ছপাশালক আশীৰ্বাদ কৰিবলৈ আমি ঈশ্বৰলৈ প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ০৬** ঃ সকলো ধৰ্মৰ মাজত ঐক্যৰে থাকিবলৈ আমি প্ৰাৰ্থনা উৎসৰ্গ কৰো।

**এপ্ৰিল ০৭** ঃ সকলো জাতিয়েই অখণ্ডতাৰে থাকিবলৈ ঈশ্বৰলৈ নিৰন্তৰে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ০৮** ঃ সকলো ড্ৰাগচ্ আসক্ত লোকসকলে মুক্তি পাবলৈ ঈশ্বৰলৈ নম্ৰতাৰে আমি প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ০৯** ঃ আমাৰ মণিপুৰী ভাষাৰ সহকাৰী সম্পাদক, ৰেভাঃ ড০ ঋষিকান্ত চৰুখাইবাম আৰু তেওঁৰ পৰিয়ালবৰ্গৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১০** ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক, ভাই এম. পৌলৰাজ সম্পূৰ্ণভাৱে যেন সুস্থতা লাভ কৰে আৰু শান্তিপূৰ্ণভাৱে জীৱন-যাপন কৰিব পাৰে তাৰ বাবে প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১১** ঃ পৃথিৱীৰ পৰা যেন কৰোণা ভাইৰাচ অতি সোনকালে নাশ হয় তাৰবাবে উৎসৰ্গৰে প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১২** ঃ আমাৰ অনুষ্ঠান, সকলো কৰ্মচাৰী আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গ লাভান্বিতৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১৩** ঃ এই বছৰৰ খৰচসমূহৰ বাবে আৰু ইয়াৰ ওপৰত ঈশ্বৰৰ হাত থাকিবলৈ প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১৪** ঃ আমাৰ উত্তৰ ভাৰতৰ মিশ্বনেৰীসকল আৰু তেওঁবিলাকৰ পৰোপকাৰীৰ বাবে প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১৫** ঃ আমাৰ শুভবাৰ্তাৰ ছপাশাল সংৰক্ষিত আৰু পৰিপাটীকৈ ৰাখিবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৬** ঃ পৰিচৰ্যাত সকলো মিশ্বনেৰী আৰু বিশ্বাসীসকলে ঐক্যতাৰে থিয় দিবলৈ প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৭** ঃ আমাৰ পৰিচৰ্যাবিলাক যিকোনো প্ৰকাৰে আৰু যিকোনো পৰিমাণে বৃদ্ধি পাবলৈ প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৮** ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক সকলো দুষ্ট শক্তিৰ পৰা নিৰাপদে ৰাখি জীয়াই থাকিবলৈ প্ৰাৰ্থনাত উৎসৰ্গ কৰক।

পালটন নকৰিলা আৰু মই আটাহ পাৰি তোমালোকক মন-পালটন কৰিবলৈ কম!"

## পৌলৰ এই বাক্যবিলাকে মোক লাজত পেলালে!

যেতিয়া মই পৌলৰ এই বাক্যবিলাকক অধ্যয়ন কৰোঁ, মই মোৰ নিজৰ পৰিচৰ্যাক মই নিজে পৰীক্ষা কৰি চাব লগীয়াত পৰো। আৰু মই নিজকে প্ৰশ্ন কৰো, "যীচুৱে প্ৰচাৰ কৰা মন-পালটনৰ শুভবাৰ্তাক মই কাটি চুটি কৰি পেলালো নেকি? মই কিবা অতি আৱশ্যকভাৱে মোৰ বাইবেললৈ কেঁচি লৈ খ্ৰীষ্টক অনুসৰণৰ অতি মূল্যবান অংশক গুছাই দিলো নে? বা 'কেৱল বিশ্বাস কৰা আৰু ৰক্ষা' পোৱা বুলি মানুহবিলাকক কৈ তেওঁৰ মৰ্যদাক তল পেলালোনে?"

আজি যেতিয়া মই মণ্ডলীলৈ চাওঁ, মই ভাবোঃ আমি প্ৰচাৰকসকলে মন-পালটনৰ এটা প্ৰমাণ স্বৰূপে বাইবেল সম্বন্ধীয় "ঐশ্বৰিক শোক"ৰ ওপৰত জোৰ দিওঁ নে? বা আমি মন-পালটন নকৰা লোকবিলাকক মিছা শান্তিলৈ চলাই লৈ গৈ আছো নে! আমি তেঁওবিলাকক ঈশ্বৰে কেৱল, "যীচু, মই তোমাক বিশ্বাস কৰো" বুলি ক'লেই হ'ব বুলি কৈ ভুলকৈ পৰামৰ্শ দিওঁ নে? পাপবোৰৰ বাবে প্ৰকৃত প্ৰত্যয় জন্মা বিষয়টোক আমি ছুটি কৰি কাটি পেলাইছোনে? যিবিলাকে প্ৰকৃততে মন-পালটন কৰা নাই তেওঁবিলাকলৈ আমি পৰিত্ৰাণ আগবঢ়াইছো— যিবিলাকে নিজৰ লম্পট আচৰণৰ বাবে শোক নকৰে, যিবিলাকে নিজৰ অতিমাত্ৰাৰ পাপবোৰক নাচায়, যিবিলাকে বিশ্বাস আছে বুলি কয় আৰু তেওঁবিলাকৰ অভিলাষৰ আচৰণবোৰক লুকুৱাই ৰাখে?

বিভিন্ন পৰিচৰ্যাৰ যোগেদি অসংখ্য মানুহবিলাকে যীচুলৈ অহাৰ বিষয়ে ভয়ানকভাৱে ঢাই কোৱা কথা একেৰাহে আমি শুনি থাকো। খ্ৰীষ্টিয়ানবিলাকে ৰিৰ্পোট দিয়ে যে কাৰাগাৰ, স্কুলত আৰু জনজাতি সভাত তেওঁলোকে প্ৰচাৰ কৰাত বহুত মানুহে ৰক্ষা পাইছিল। তেওঁলোকে কয়, "সেই ঠাইত প্ৰত্যেক ব্যক্তিয়ে তেওঁলোকৰ হৃদয় যীচুক দিলে। মই যেতিয়া বাৰ্তা দি শেষ কৰিলো সকলোৱে পৰিত্ৰাণৰ বাবে আগবাঢ়ি আহিল।"

নহয়, সেইটো এটা দুখলগা বঢ়াই কোৱা কথা হয়। প্ৰায় সময়ত, প্ৰকৃততে কি হয়, প্ৰত্যেকেই এনেই এটা প্ৰাৰ্থনাক দুনাই কৰে। তেওঁবিলাকক প্ৰাৰ্থনাত যি যি ক'বলৈ কোৱা হয়, কেৱল তাকেহে দোহাৰে — আৰু তেওঁবিলাকৰ কিছুমান লোকে বুজি পায়, কিন্তু কিছুমানে বুজি নাপায়। তেওঁবিলাকৰ বহুতে পুনৰ অধাৰ্মিক পথলৈ ঘুৰি যায়। তেনে লোকবিলাকে পবিত্ৰ আত্মাৰ গভীৰ কাৰ্যৰ অভিজ্ঞতাক কেতিয়াও নাপায়। তাৰ ফলস্বৰূপে, তেওঁবিলাকে মন-পালটন নকৰে, তেওঁবিলাকৰ পাপবিলাকৰ বাবে কেতিয়াও শোক নকৰে আৰু কেতিয়াও বিশ্বাস নকৰে। দুখজনক বিষয় যে আমি তেওঁবিলাকলৈ আন কিবা শিক্ষাহে আগবঢ়াওঁ, কিন্তু যীচুৱে মন-পালটনৰ অবিহনে কেতিয়াও পৰিত্ৰাণ আগ নবঢ়ায়!

মই বিশ্বাস কৰো মণ্ডলীসমূহে বিশ্বাসক অনুভৱৰ বাহিৰ কৰি দিছে। এই বিষয়টোক ভাবি চাওক - ৰক্ষা পোৱা লোকবিলাকৰ গালত চকুপানী আপুনি আৰু দেখি নাপাব। অৱশ্যে, চকুলোৱে কাকো ৰক্ষা নকৰে। কিন্তু ঈশ্বৰে আমাক প্ৰকৃত অনুভৱৰ সৈতে মানুহ হিচাপে সৃষ্টি কৰিছে। যিকোনো নৰকীয় পাপী, যিজনে ঈশ্বৰক দুখ দিয়াৰ বাবে তেওঁ পবিত্ৰ আত্মাৰ দ্বাৰাই চালিত হৈ প্ৰকৃততে শোক প্ৰকাশ কৰিব পাৰে।

পাচঁনি পিতৰে যেতিয়া যীচুক অস্বীকাৰ কৰিছিল, তেওঁ এইধৰণৰ স্বৰ্গীয় শোক অনুভৱ কৰিছিল। লগে লগে যীচুৱে তেওঁক কোৱা সকলো কথা তেওঁৰ মনত আহিবলৈ ধৰিলেঃ "তেতিয়া কুকুৰাই দ্বিতীয়বাৰ ডাক দিলে। তাতে কুকুৰাই দুবাৰ ডাক দিয়াৰ আগেয়ে তুমি মোক তিনিবাৰ আসৈ মাতিবা, এই যি কথা যীচুৱে তেওঁক কৈছিল, সেই কথা পিতৰৰ মনত পৰিলত, তেওঁ চিন্তা কৰি, ক্ৰন্দন কৰিবলৈ ধৰিলে" (মাৰ্ক ১৪ ঃ ৭২)। যেতিয়া পিতৰে এই কথা মনত পেলালে, তেওঁ আবেগিক হৈ পৰিছিল।

প্ৰিয়সকল, এনেধৰণৰ মন-পালটনক আমাৰ শৰীৰত আমি এনেই কাৰ্যত লগাব নোৱাৰো। কেৱল পবিত্ৰ আত্মাইহে আমালৈ তাক প্ৰকাশ কৰে, পিতৰৰ দৰে আমিও আমাৰ ত্ৰাণকৰ্তাক আঘাত দিছো আৰু সেই প্ৰকাশিত কথাই আমাক গভীৰ শোকৰ সৈতে পূৰ্ণ কৰা উচিত! বিশুদ্ধ বিশ্বাসক সমৰ্থন কৰা লেখকসকলৰ সৈতে মই সন্মত নহওঁ, কিন্তু তেওঁলোকে পবিত্ৰতাৰ প্ৰতি জোৰ দিয়াটোক মই ভাল পাওঁ। এই ঐশ্বৰীক প্ৰচাৰকসকলে তেওঁলোকৰ বাৰ্তাসমূহক "গভীৰকৈ হালবোৱা" বুলি আখ্যা দিয়ে। তেওঁলোকে বিশ্বাস কৰে যে, যেতিয়ালৈকে তেওঁবিলাকৰ শ্ৰোতাৰ হৃদয়ত গভীৰভাৱে বোৱা নহয়, বিশ্বাসৰ শস্যক সিঁচিব নোৱাৰি।

গতিকে বিশুদ্ধ বিশ্বাসক সমৰ্থন কৰা এই লোকবিলাকে তেওঁবিলাকৰ বাৰ্তাসমূহ শ্ৰোতাৰ হৃদয়বোৰৰ সকলো পতিত স্থললৈ ফাট মেলি ভিতৰৰ গভীৰতালৈ যায়। তেওঁবিলাকৰ বাৰ্তাসমূহে নিজৰ মণ্ডলীত বাস্তৱিক মন-পালটনক উৎপন্ন কৰিছে। আৰু যোৱা কিছু বৰ্ষত শক্তিশালী, পৰিপক্ক আৰু বিশ্বাসী খ্ৰীষ্টিয়ানসকলক জন্ম দিছে, যেনে, এজন বিখ্যাত

## এটি প্ৰিয় অনুৰোধ

আপোনালোকে জানে যে আমি বহুত ধৰণৰ অভাৱত পৰি ভীষণ হেঁচাত আছো যেনে - কৰ্মচাৰীসকলৰ বাবে দৰমহা আৰু কাগজ, কলম কিনাৰ খৰচ আৰু যাত্ৰাৰ খৰচ বহুত আছে। সাধাৰণতে আমি কেতিয়াও কাৰোপৰা আৰ্থিক সহায় নিবিচাৰে। কিন্তু এতিয়া যিবিলাকে আমাৰ এই পৰিচৰ্যাত প্ৰকৃততে সমৰ্থন জনাই আৰু প্ৰেম কৰে তেওঁলোকলৈ আমাৰ এটি বিনম্ৰ অনুৰোধ তেওঁলোকৰ দান আৰু বৰঙণি আমাৰ এই পৰিচৰ্যাত সহায় কৰিবলৈ মণি অৰ্ডাৰ, চেক বা ডিমাণ্ড ড্ৰাফ্‌ট, ফোনৰ যোগেদি বা এন.ই. এফ.টিৰ যোগেদি বা আন কোনো পদ্ধতিৰে আমালৈ পঠিয়াই যেন। ঈশ্বৰে আপোনাক নিশ্চয় আশীৰ্বাদ কৰিব। সবিশেষ জানিবলৈ ফোন কৰক- +৯১ ৯৮৪১২৭১৮৫৮ / ৯৮৪১০৭১৮৫৮।

— সম্পাদক তেওঁৰ আহবানৰ প্ৰতিধ্বনি

কবি, জন মিল্টনক। আজি, অৱশ্যে হাল নোবোৱাকৈ বাৰ্তাৰ শস্যক সিঁচাৰ দৰে হৈছে। আজিকালি অতি গভীৰকৈ খন্দা বাৰ্তা মই শুনি নাপাওঁ। গভীৰকৈ হাল বোৱা মানে কেৱল পাপৰ ৰোগৰ বিষয়ে কোৱাটো নহয়; আচলতে এই ৰোগৰ কাৰণটোক বিচাৰি উলিওৱা কাৰ্য্যক বুজায়।

বাৰ্তাৰ বেছিভাগ আমি ৰোগৰ কাৰণসমূহৰ বিষয়ে শুনিছিলো। কিন্তু আজিকালি ৰোগৰ বিষয়ে অবজ্ঞা কৰি ৰোগৰ নিৰাময়ৰ ওপৰত ভিত্তি কৰি প্ৰচাৰ কৰাৰ বিষয়ে আমি শুনি পাওঁ। অস্ত্ৰোপ্ৰচাৰৰ উপলব্ধ অবিহনে প্ৰেচক্ৰিপশ্বন দিয়াৰ দৰে হৈছে।

দুজনক ভাবে, আমি মানুহবিলাকক পাপৰ পৰ সুস্থ হৈছে বুলি ভাবিবলৈ বাধ্য কৰাওঁ, কিন্তু তেওঁবিলাকে নাজানে যে তেওঁবিলাক ৰোগী হৈ আছিল। আমি তেওঁবিলাকৰ ওপৰত ধাৰ্মিকতাৰ সাজ পিন্ধাই দিওঁ, কিন্তু তেওঁবিলাকে নাজানে যে তেওঁবিলাক নগ্ন আছিল। আমি তেওঁবিলাকলৈ খ্ৰীষ্টত ভাৰসা কৰিবলৈ উৎসাহ দিওঁ, কিন্তু তেওঁবিলাকে নাজানে যে তেওঁবিলাকৰ ভাৰসা কৰিবলৈ প্ৰয়োজন আছে। তেনে লোকবিলাকে চিন্তা কৰিবলৈ বন্ধ কৰি দিয়ে, "ইয়ে মোৰ জীৱনত যীচুক যোগ কৰিবলৈ আঘাত দিব নোৱাৰে"। এজন পৰাক্ৰমী ইংৰাজ প্ৰচাৰকে তলত উল্লেখ কৰা মন-পালটনৰ প্ৰয়োজনতাৰ বাবে কৈছিল ঃ

"মই বিশ্বাস কৰো যে শোকজনক মন-পালটনৰ অস্তিত্ব আজিও আছে। যদিও ইয়াৰ বিষয়ে মই আজি বেছি নুশুনো। আজিকালি বোধকৰো মানুহবিলাকে অতিশীঘ্ৰেই বিশ্বাসলৈ জপিয়াই পৰে... । মই আশাকৰো মোৰ পুৰণি বন্ধু মন-পালটনৰ এতিয়াও মৃত্যু হোৱা নাই। মন-পালটনৰ সৈতে মই অতিশয় প্ৰেমত আছো।" "মই নিজেই শুকান চকুৰ বিশ্বাসৰ বিষয়ে বুজি পাওঁ; মই জানো ক্ৰন্দন ক্ৰুচ উপায়ৰ দ্বাৰাই মই খ্ৰীষ্টলৈ আহিলো... । মই মোৰ পাপবোৰক স্বীকাৰ কৰি আৰু কেৱল যীচুতেই পৰিত্ৰাণ পাবলৈ ইচ্ছা কৰি যেতিয়া মই বিশ্বাসৰ দ্বাৰাই কালবাৰীলৈ আহিলো তেতিয়া মই কেৱল ক্ৰন্দন আৰু প্ৰাৰ্থনাৰে আহিছিলো।"

## যেতিয়া আমাৰ মণ্ডলী স্থাপিত হৈছে আমি পালকসকলে প্ৰথম কেইটামান বছৰৰ বাবে বিধানক প্ৰচাৰ কৰিছিলো

আমাৰ মণ্ডলীত আমি কিয় দীঘল সময় ধৰি বিধানৰ বিষয়ে প্ৰচাৰ কৰিব লাগে? আমি ইয়াক এই কাৰণেই কৰিছিলো যে আমাৰ মণ্ডলীৰ বহুত লোকেই নিজকে খ্ৰীষ্টিয়ান বুলি কৈছিল — কিন্তু তেওঁলোকৰ জীৱনত ইয়াৰ প্ৰতিবিম্ফ দেখা পোৱা নাছিল। সেই প্ৰথম অৱস্থাত, বহুত মানুহে বেদীৰ ওচৰলৈ আহিছিল আৰু তেওঁলোকে পালকীয় প্ৰাৰ্থনা দোহাৰিছিল আৰু বিশ্বাসেৰে পৰিত্ৰাণ বিচাৰিছিল।" তথাপি তেওঁবিলাকৰ মাজৰ বহুতে তেওঁবিলাকৰ পাপৰ বাবে একো দুখ অনুভৱ কৰা নাছিল। তেওঁবিলাকে ঐশ্বৰিক শোকৰ অভিজ্ঞতা পোৱা নাছিল - আৰু গতিকে তেওঁবিলাকৰ জীৱনত প্ৰকৃত মন-পালটন হোৱা নাছিল।

অনুমান কৰক অনুতপ্ত থিয়েটাৰৰ অভিনেতাই দেওবাৰে খ্ৰীষ্টৰ অভিনয় কৰে কিন্তু পাছত তেওঁবিলাকৰ সপ্তাহিক ভণ্ডামিৰ প্ৰদৰ্শনলৈ ঘূৰি গুচি যায়। সহকামী বিলাকেও পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰে কিন্তু তেতিয়াও এই পাপময় জীৱনত লিপ্ত হৈ থাকে। আনবিলাকে বেদীত আহি যীচুক স্বীকাৰ কৰে কিন্তু তথাপিও ব্যভিচাৰ আৰু নিচাসক্ত বস্তুক ব্যৱহাৰ কৰি থাকে। সেই গতিকে আমি বেদীৰ পৰা দোষবোৰক প্ৰকাশ কৰি দিও! পবিত্ৰ আত্মাই আমাৰ পালকসকলৰ দলটিক মানুহৰ সকলো পাপ, অবাধ্যতা আৰু উগ্ৰতাক প্ৰকাশ কৰিবলৈ চলালে। আমি অতি কঠোৰ বাক্যৰে নৰকৰ বিষয়ে প্ৰচাৰ কৰো, মানুহে উঠি আমাৰ উপাসনাৰ পৰা গুচি যায়। আমি স্বৰ্গক অতি বাস্তৱৰূপে প্ৰচাৰ কৰো। খ্ৰীষ্টৰ পবিত্ৰতাৰ ভয়ানক বাস্তৱৰ ওচৰত মানুহ কপি যায়।

বিধানৰ বিষয়ে আমাৰ যি বাৰ্তা আছিল সেই সময়ত বহুত প্ৰয়োজন আছিল। সকলো অধৰ্মআৰু গুপুত বস্তুবোৰক প্ৰকাশ কৰিবলৈ আমাৰ বাৰ্তা ঈশ্বৰৰ দৰ্পণৰ দৰে আছিল। ইয়ে আমাৰ মণ্ডলীক অতিকৈ পাপময় জীৱনৰ বিষয়ে এক সজাগতা আনিলে। যেতিয়া কিছুমান লোক পাছলৈ পলাই গ'ল সেই সময়ত কিছুমান লোক প্ৰকৃত মন-পালটনৰ বাবে আগবাঢ়ি আহিল। তেওঁলোকৰ মাজৰ এজন বিখ্যাত অভিনেতা হৈছে ডেভিদ ডেভিচ। তেওঁ প্ৰকৃত মন-পালটনেৰে যীচুলৈ উৎসৰ্গিত হৈছিল আৰু আজি, তেওঁ আৰু তেওঁৰ ভাৰ্যা পালক ইস্ৰায়েলত এটা মণ্ডলী চলাই আছে। তাত তেওঁলোকে প্ৰায় ১০ বছৰ ধৰি খ্ৰীষ্টক প্ৰচাৰ কৰি আছে।

যেতিয়া আমাৰ মণ্ডলীত মন-পালটনৰ উদ্দেশ্য পৰিপূৰ্ণ হ'ল, পবিত্ৰ আত্মাই আমাক অনুগ্ৰহৰ মহিমাক প্ৰচাৰ কৰাবলৈ চলাই ল'লে। আমি যেতিয়া নতুন ব্যৱস্থা, পবিত্ৰ আত্মাৰ যোগেদি পাপৰ ওপৰত থকা শক্তি আৰু বিশ্বাসৰ দ্বাৰাই চলাৰ বিষয়ে শিক্ষা দিলো। চমুকৈ ক'বলৈ গ'লে আমি সাধুসকলক তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিলো। সেই গোটেই অভিজ্ঞতাৰ যোগেদি, আমি কেৱল বিধান আৰু পাপৰ ওপৰত ভিত্তি কৰি প্ৰচাৰ কৰাৰ বিপদবিলাকক আৱিস্কাৰ কৰিলো। যদি কেৱল এই বাৰ্তাকেই মানুহবিলাকক দিয়া হয় তেন্তে তেওঁবিলাকে আশা হেৰুৱাই দিব আৰু হতাশ হৈ ভাবিব, "আমি কেতিয়াও পৰিমাপ কৰিব নোৱাৰিম" তেওঁলোকে আশাৰ বাবে ক্ৰুচলৈ চোৱাৰ পৰিৱৰ্তে তেওঁলোকে একেৰাহে আভ্যন্তৰীণ দিশত ঘূৰি থাকিব।

তথাপিও যেতিয়া এটা মণ্ডলী ঈশ্বৰৰ হয় আৰু যেতিয়াই বিধানৰ বাৰ্তাৰ প্ৰয়োজন হয় ঈশ্বৰৰ আত্মাই এই বাৰ্তা আনি দিব বুলি ভাৰসা ৰাখিব পাৰে। যেতিয়া যীচুৱে মানুহবিলাকক এটা "সহজ বিশ্বাস"ক লৈ ধৰ্মভ্ৰষ্ট হোৱা দেখে, তেওঁ পুনৰ এবাৰ তেওঁবিলাকৰ ওপৰত সকলো দয়া আৰু অনুগ্ৰহেৰে বিধানৰ আঘাত আনি দিব। আপুনি চাওক, মন-পালটন এটা সময়ৰ অভিজ্ঞতা নহয়। মন-পালটন এটা ধুমুহা নহয় যে এবাৰ আহিব আৰু সদাকালৰ বাবে গুচি যাব। নতুবা কেৱল এটা অভাৱৰ সময়ত আমি মন-পালটনৰ অভিজ্ঞতা পাওঁ আৰু জীৱনৰ বাকী সময়ত কেতিয়াবাহে ইয়াৰ বিষয়ে আলোচনা হয়। আমাৰ পাপৰ বাবে দুখ শিক্ষক হোৱা উচিত নহয়!

স্পাৰগিয়নে সাক্ষ্য দি কৈছিল, "মই মুকলিভাৱে স্বীকাৰ কৰি কওঁ যে মই ত্ৰিশ বছৰৰ আগতে যেতিয়া মই ত্ৰাণকৰ্তাক গ্ৰহণ কৰিছিলো,

এতিয়া মই মোৰ পাপৰ বাবে তাতকৈ অধিক শোক অনুভৱ কৰো। মই যেতিয়া বিশ্বাসৰ অধীনত আছিলো তাতোতকৈ বেছি মই এতিয়া পাপক ঘিণ কৰো। পাপ এতিয়া কি হ'ব পাৰে মই এতিয়া যিমান জানো কিন্তু মই আগত পাপ কি হ'ব পাৰে তাক জনা নাছিলো। মই প্ৰথমে যেতিয়া খ্ৰীষ্টলৈ আহিছিলো সেই সময়ত কৈয়ো এতিয়া মোৰ নিজৰ হৃদয়ৰ জঘণ্যতাৰ অধিক অনুভূতি আছে। "পাপৰ বাবে শোক এটা চিৰস্থায়ী বৰষুণ, এটা মিঠা বস্তু, এটা কোমল স্থান যিয়ে মানুহক প্ৰকৃততে ৰক্ষা কৰিলে আৰু চিৰদিনৰ বাবে থাকিব। তেওঁ পাপ কৰাৰ বাবে সদায়েই দুখজনক হৈ থাকিব। তেওঁৰ সকলো পাপ নোযোৱালৈকে তেওঁ ৰৈ নিদিব।

## যীচুৱে ইফিচীয়া মণ্ডলীলৈ কিবা এটা কৈছিল যিয়ে মোক কঁপাই তোলে!

আপোনাৰ মনত থাকিব পাৰে যে প্ৰকাশিত বাক্য ২ অধ্যায়ত যোহনে সাতোটা মণ্ডলীৰ বিষয়ে উল্লেখ কৰিছে। ইয়াৰেই মাজত এটা মণ্ডলী হৈছে ইফিচীয় মণ্ডলী। যাক যীচুৱে অতি উচ্চকৈ প্ৰশংসা কৰিছে। যদিহে আমাৰ মণ্ডলী ইফিচীয়া মণ্ডলীৰ দৰে হ'লহেতেন তেনেহ'লে মই ভাবি ভাল পালোহেতেন। বিশ্বাসীবিলাকৰ শৰীৰে এনে এখন জনবহুল চহৰত কঠোৰ পৰিশ্ৰম কৰিছিল, জঘন্য দুষ্টতাৰ মাজতো তেওঁবিলাক কেতিয়াও দুৰ্বল হোৱা নাছিল। তেওঁবিলাকে বহুত ত্যাগ কৰি জীৱন-যাপন কৰিছিল, পাপক ঘৃণা কৰিছিল, মিছা শিক্ষাবোৰক গ্ৰহণ কৰাত অস্বীকাৰ কৰিছিল। বিশ্বাসত তেওঁবিলাক দৃঢ়ভাৱে থিয় হৈছিল, চয়তানে তেওঁলোকক যিকোনো পৰীক্ষাত পেলাবলৈ চেষ্টা কৰিলেও তেওঁবিলাকে ঈশ্বৰক সম্পূৰ্ণ হৃদয়েৰে প্ৰেম কৰিছিল।

তথাপি খ্ৰীষ্টই জানিছিল যে তেওঁবিলাকৰ মাজত ভুল কাৰ্য চলি আছে। এই মণ্ডলীটোৱেই দেশসমূহলৈ এক উজ্জ্বল চাকিস্বৰূপ আছিল। গতিকে তেওঁ এই মণ্ডলীক অতিকৈ প্ৰেম কৰিছিল। তেওঁ ইয়াৰ বাবে অনৰ্থক বহি মণ্ডলীত পতন হ'বলৈ নিদিয়ে। গতিকে তেওঁ ইফিচীয়াৰ লোকসকলক ক'লে, "তথাপি তোমাৰ বিৰুদ্ধে মোৰ কথা আছে যে তুমি তোমাৰ প্ৰথম প্ৰেম এৰিলা" (প্ৰকাশিত বাক্য ২ঃ৪) যীচুৱে কৈছিল, "তোমালোকৰ জুই নুমাই গৈ আছে। মোৰ বাবে থকা তোমালোকৰ প্ৰেমে তোমালোকৰ বিশ্বস্ততাক প্ৰেৰণা যোগাইছিল সেয়ে পতন হৈ গৈছে আৰু হেৰুৱা মেৰবোৰৰ বাবে মোৰ বোজা এবাৰ লৈছিলা — কিন্তু এতিয়া তোমালোক এনেই বহি কেৱল মোৰ বাৰ্তা শুনি সন্তোষ্টি হৈছা। তোমালোকে ব্যক্তিগত বস্তুবোৰক লৈ সম্পূৰ্ণ মগন হৈ আছা আৰু মোক উপেক্ষা কৰি আছা। এবাৰ তোমালোক য'ত আছিলা তাৰ পৰা তোমালোক খহি পৰিছা!"

তেতিয়া যীচুৱে তেওঁবিলাকক ক'লে, "এতেকে তুমি ক'ৰ পৰা পৰিলা তাক সোঁৱৰণ কৰা..." (প্ৰকাশিত বাক্য ২ঃ৫)। তেওঁ কৈছে, আগৰ বিষয়ে ভাবি চোৱা! তোমালোক মোৰ গৃহলৈ আহি মোৰ প্ৰজাৰ সৈতে থাকিবলৈ আৰু মোৰ বোজা ল'বলৈ আশংকা কৰি আছিলা। কিন্তু এতিয়া কেৱল দেওবাৰে এঘণ্টা সময় তোমালোকৰ বাবে বহুত হৈ গৈছে। গতিকে, প্ৰিয় খ্ৰীষ্টিয়ানসকল, আপোনালোক এতিয়াও জুইৰ ওপৰত আছেনে? যিদৰে আপুনি ৰক্ষা পোৱাৰ সময়ত মনে প্ৰাণে তেওঁক প্ৰেম কৰিছিল তাক এতিয়াও কৰি আছেনে? বা তেওঁৰ উদ্বেগত আপোনাৰ আগ্ৰহ হ্ৰাস পাইছেনে আৰু তেওঁৰ পৰিচৰ্যা পৰিত্যাগ কৰিছেনে? আপোনাৰ জীৱনত আন আন বিষয়বোৰে অধিক স্থান পাইছেনে? যদি তেনে হয়, প্ৰভুৱে আপোনাৰ বিষয়ে ক'বলৈ আছে, "তথাপি তোমাৰ বিৰুদ্ধে মোৰ কথা আছে যে, তুমি তোমাৰ প্ৰথম প্ৰেমক এৰিলা!"

যীচুৱে পুনৰ কি কৈছে, শুনক ঃ "... মন-পালটাই প্ৰথম কৰ্ম কৰা..." (একেটা পদত)। তেওঁ কৈছে, "তোমাৰ ক্ৰমবৰ্দ্ধমান উদাসীনতাৰ বাবে কৰা। অনুতাপ কৰা গুৰুত্ব সহকাৰে ইয়াক লোৱা। আৰু তোমাৰ শোকে য'ত তুমি মোৰ প্ৰথম প্ৰেম কৰিছিলা তালৈ নিয়া!" খ্ৰীষ্টই পুনৰ আমালৈ এটা বাক্য দিয়ে যে আমি জানিব লাগে যাতে আমি ভালদৰে যত্ন ল'ব পাৰিম। তেওঁ কয়, "... নতুবা..." (একেটা পদত)। তেওঁ লগে লগে ইয়াৰ পৰিণামৰ বিষয়ে কয়ঃ "... মই তাত উপস্থিত হৈ, তোমাৰ দীপাধাৰ নিজ ঠাইৰ পৰা দূৰ কৰিম..." (একেটা পদত)

যীচুৱে আমাক কৈছে যদি আমি মন-পালটন নকৰো, তেওঁ আমাক চহৰত থকা আমাৰ প্ৰভাৱ, আমাৰ পৰা কাঢ়িব। আমাৰ চহৰত থকা আমাৰ প্ৰভাৱ, আমাৰ সমাজত, আমাৰ ওচৰ চুবুৰীয়াসকলৰ মাজত, আমাৰ কৰ্মক্ষেত্ৰ ইয়াত অন্তৰ্ভুক্ত আছে। আমাৰ যি অকণমান প্ৰভাৱ আছে তাকো দূৰ কৰা হ'ব। তেওঁ কয়, "তুমি যদি অনুতাপ নকৰা!" আজি, গোটেই পৃথিৱীৰ মণ্ডলীবিলাকে তেওঁবিলাকৰ দুৱাৰবোৰ জপাই দিছে। তাৰ পৰা পোহৰবোৰ বাস্তৱতে বন্ধ হৈ গৈছে। কিয়নো মই-পালটন কৰিবলৈ অস্বীকাৰ কৰাৰ বাবে বিচাৰৰ বোজা তেওঁলোকে ল'ব লগা হৈছে! ঈশ্বৰে কৈছে তেওঁবিলাকে ভাল-বেয়া চিনি পোৱা শক্তিক হেৰুৱাব, আত্মিক আশীৰ্বাদবোৰ, আৰ্থিক আৰু তেওঁৰ উপস্থিতিক হেৰুৱাব। এতিয়া তেওঁলোক কেৱল অতীতৰ আশীৰ্বাদবোৰক সোঁৱৰি মৃত আৰু জীৱনহীন হৈ আছে।

মই ৩০বছৰৰ আগতে বহুতো মণ্ডলীত প্ৰচাৰ কৰিছিলো। সেই সময়ত তেওঁলোকে আগ্ৰহপূৰ্ণ বিশ্বাসীৰ দৰে আছিল। আজি যেনেতেনে কেৱল এক ডৰ্জন মানুহে তেওঁলোকৰ শাসনত বহি থাকে। সোনকালে তেওঁলোকৰ শাসনত বহি থাকে। সোনকালে তেওঁবিলাকে শূণ্যলৈ হ্ৰাস পাব পাৰে আৰু তেওঁলোকৰ দুৱাৰবোৰ ভালৰ বাবে বন্ধ হ'ব পাৰে। ঈশ্বৰে তেওঁলোকৰ দুৱাৰৰ ওপৰত "ঈখাবোদ" বুলি লিখিছে। "অৰ্থাৎ ঈশ্বৰৰ আত্মা গ'ল!" তথাপিও প্ৰিয়সকল, ঈশ্বৰে এই বাৰ্তা প্ৰত্যেক ব্যক্তিগত খ্ৰীষ্টিয়ানসকলক দিছে। তেওঁ কয়, "যদি তুমি মন পালটন কৰিবলৈ অস্বীকাৰ কৰা — যদি তুমি তোমাৰ শোকতেই থাকিব বিচৰা — মই তোমাৰ দীপাধাৰ দূৰ কৰিম। তোমাৰ পৰিয়ালৰ ওপৰত থকা তোমাৰ প্ৰভাৱ, তোমাৰ সহকৰ্মীসকলৰ মাজত যিকোনোৱেই হওক তোমাৰ প্ৰভাৱ আৰু নথাকিব!" ঠিক এইদৰে ইফিচীয়া মণ্ডলীলৈ ঘটিছিল। ঈশ্বৰে ধৈৰ্য্যৰে — ১০০০ বছৰতকৈ অধিককাল সেই মণ্ডলীয়ে মন পালটন কৰিবৰ বাবে অপেক্ষা কৰিছিল। তথাপিও অৱশেষত তেওঁবিলাকে ঈশ্বৰে সহ্য কৰিব পৰাতকৈও অধিক বিশ্বাসৰ পৰা খহি পৰিছিল।



# PIT TO PALACE গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

"সেই কালত ইচ্হাকে সেই দেশত ধান বৈ, সেই একে বছৰতেই এশ গুণ পালে আৰু যিহোৱাই তেওঁক আশীৰ্বাদ কৰিলে" (আদি পুস্তক ২৬ ঃ ১২)।

১৯৬৯ চনৰ পৰা ঈশ্বৰে আমাক তেওঁৰ আহ্বান প্ৰতিধ্বনীৰ যোগেদি পত্ৰিকা বিলোৱা আৰু মণ্ডলী স্থাপন কৰা পৰিচৰ্যাত ব্যৱহাৰ কৰি আছে। প্ৰভু যীচুখ্ৰীষ্টৰ শুভবাৰ্তাক প্ৰচাৰ কৰিবলৈ আমি বহুত চলাওঁতাসকলক প্ৰস্তুত কৰিলো।

১৯৮০ চনত, ঈশ্বৰে আমাক বিল্লেকৰ নামৰ এটা বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ সমৰ্থ কৰিলে। আমাৰ ভাৰত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অখ্ৰীষ্টিয়ান লোকসকলৰ পৰা এটা বৃহৎ সঁহাৰি পাই আছো, কিয়নো আমি এই পাঠ্যক্ৰমক ইংৰাজী, তামিল আৰু হিন্দী ভাষাত আয়োজন কৰিছিলো। প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীসকললৈ বহুত পাঠ্যক্ৰমৰ পুস্তকসমূহ পঠাবলগীয়া হৈছিল। গতিকে, ঈশ্বৰত বিশ্বাস ৰাখি পাঠ্যক্ৰমৰ পুস্তকসমূহৰ ৩০,০০০ কপি ছপা কৰিবৰ বাবে অৰ্দাৰ দিছিলো। সেই অনুপাতে, এদিন পুৱাবেলাত, আটাই পুস্তকসমূহ ছপা কৰি আমাক গতাই দিলে।

কিন্তু আমাৰ অফিচগৃহৰ গৰাকীজনে পুস্তকখিনি অফিচত থ'বলৈ অনুমতি নিদিলে, কিয়নো তেওঁ খ্ৰীষ্টিয়ান পৰিচৰ্যা বৃদ্ধি হোৱাত সুখী নাছিল। আমি পুস্তকসমূহ জমা কৰি ৰাখিবলৈ ভাড়া ঘৰ এটা বিচাৰি আছিলো, কিন্তু আমাৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হ'ল। ঈশ্বৰে আমাক এটা উপায় মুকলি কৰি দিবলৈ আমি তেওঁলৈ প্ৰাৰ্থনা কৰি আছিলো।

এদিন অকস্মাতে, ঈশ্বৰে আমাৰ সৈতে মাদ্ৰাছৰ এজন ভাই ৰামালিঙাম আৰু তেওঁৰ ভাৰ্যা চাৰাল শৰশ্বতীক যোগাযোগ কৰাই দিলে। ঈশ্বৰে আমাক তেওঁলোকক আমাৰ পাঠ্যক্ৰমৰ পুস্তকখিনি ৰাখিবলৈ এটা উপযুক্ত ঠাইৰ প্ৰয়োজন হৈছে বুলি ক'বলৈ মনত উদগালো। ঈশ্বৰে তেওঁলোকৰ মনত কথা ক'লে আৰু তেওঁলোকে আনন্দেৰে আগবাঢ়ি আহি তেওঁলোকৰ গৃহত সেই পুস্তকখিনিক ৰাখিবলৈ অনুমতি দিলে। আৰু আমাৰ যেতিয়াই কিছুমান পুস্তকৰ প্ৰয়োজন হৈছিল আমি তালৈ গৈ লৈছিলো। ঈশ্বৰে সেই পৰিয়ালটিক এক বিশেষভাৱে আশীৰ্বাদ কৰিলে।

এতিয়া ঈশ্বৰে আমাক আমাৰ বাবে বাইবেল কলেজৰ বাবে এটা পৃথক গৃহ যোগোৱাৰ লগতে স্কুলৰ বাবেও এটা যোগাই দিছে। ইয়াত যিমান খালী ঠাই আছে, আমি যিমান লাগে সিমানেই পুস্তক গোটাই থ'ব পাৰিছো। ঈশ্বৰে আমালৈ এটা ছপাশালো দি আশীৰ্বাদ কৰিছে। যাৰ যোগেদি আমি বিভিন্ন ভাষাত হাজাৰ হাজাৰ শুভবাৰ্তা পুস্তক ছপা কৰি আছো, জমা কৰি ৰাখিব পাৰিছো আৰু দেশৰ বিভিন্ন প্ৰান্তত এইবোৰক বিলাই দিব পাৰিছো। এইদৰে ঈশ্বৰে আমাৰ চকুলোক দৃষ্টি কৰিলে আৰু প্ৰাৰ্থনাৰ উত্তৰ দিলে।

প্ৰিয় পঢ়োতাসকল, প্ৰভু যীচুখ্ৰীষ্ট এতিয়াও জীৱিত আছে। তেওঁ আপোনাৰ জীৱনতো আচৰিত কৰ্ম কৰিব পাৰে। যদি আপুনি জীৱনত অতি তাড়ণাৰ সন্মুখীন হৈ আছে, তেতিয়াও হাৰ নামানিব। আচৰিত কৰ্মৰ বাবে তেওঁত বিশ্বাস কৰক। আপুনি কৃতকাৰ্য হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

---

*(অষ্টম পৃষ্ঠাৰ পৰা)*

ঐতিহাসিক গিবনে লিখিছে ঃ ইফিচীয়াৰ প্ৰথম দীপধাৰ নুমুওৱা হৈছিল। আয়নিয়া আৰু লিদিয়াৰ বৰ্বৰ শাসকসকলৰ অৱশিষ্ট খ্ৰীষ্টিয়ানবিলাকক পদদলিত কেৱল ফিলাদেলফিয়া মণ্ডলী এতিয়াও থিৰে আছে। তথাপি, যদিও যীচুৱে আমালৈ এইদৰে অনুযোগ দিয়া বা বস্তুক পঢ়োতে আমি ভয় খাব নালাগে ঃ "... যিজনে জয় কৰে, তেওঁক মই ঈশ্বৰৰ পৰম দেশত থকা জীৱন-বৃক্ষৰ ফল ভোজন কৰিবলৈ দিম" (প্ৰকাশিত বাক্য ২ ঃ ৭)।

প্ৰিয় সাধুগণ, যীচুৱেই হৈছে সেই বৃক্ষ ! তেওঁ আমাক কৈছে, "যদি তুমি মন-পালটন কৰিবা, মই তোমাক মোৰ অস্তিত্বৰ পৰা সৰ্বদায় জীৱন দিম আৰু যেতিয়ালৈকে তুমি মোক প্ৰেম কৰি থাকিবা, মই তোমাত এটি অতি প্ৰাকৃতিক জীৱনৰ প্ৰবাহ প্ৰদান কৰিম। এই জীৱন তোমাৰ বিবেচনাত, মানুহৰ প্ৰতি থকা তোমাৰ প্ৰেমত, আৰু মোৰ ৰাজ্যৰ লক্ষণে যীচুৰ সৈতে প্ৰেমত থকা প্ৰত্যেক খ্ৰীষ্টিয়ান লোকক পাৰ্থক্য কৰে। তেনে এজন বিশ্বাসীৰ জীৱন পূৰ্ণ হৈ থাকে আৰু তেওঁৰ চাৰিওফালে থকা প্ৰত্যেক লোকে তেওঁক জানে !

যীচুৱে প্ৰতিশ্ৰুতি দি কয় যে, আপোনাৰ অনুতপ্ত হৃদয়, আপোনাৰ ঐশ্বৰীক শোক আৰু তেওঁৰ প্ৰতি থকা আপোনাৰ নতুন প্ৰেমে আপোনাক জীৱনলৈকে চলাই নিব। গতিকে, আমি এতিয়াই তেওঁলৈ প্ৰাৰ্থনা কৰো ঃ "প্ৰভু, মোক এখন অনুতপ্ত হৃদয় দান কৰা। মই কোন আছিলো আৰু তোমাৰ সৈতে মোৰ প্ৰথম প্ৰেমত কেতিয়া আছিলো তুমি মোক তালৈ নিয়া। তথাপি, পিতৃ আগত যেনেকৈ মই তোমাৰ গভীৰতাত আছিলো এতিয়াও মোক তালৈ নিয়া!" এতিয়া মন-পালটন আপোনাত উৎপন্ন কৰিবলৈ আৰম্ভ কৰি দিব। আমেন।

****

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

**বাৰ্ষিক বৰঙণি ১০০/- টকা**

**জীৱিত বৰঙণি ২০০০/- টকা**

**তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ** পৰিচৰ্যাৰ বহুবিদীয়া কাৰ্যসমূহক আপোনাৰ দৰে ঈশ্বৰৰ সন্তানসকলে দিয়া দান আৰু বৰঙণি দ্বাৰাই চলোৱা হয়। যদি ঈশ্বৰে আপোনাক চলাই, আপুনিও তেওঁৰ আহবানৰ প্ৰতিধ্বনিলৈ আৰ্থিক সহায় পঠাব পাৰে। প্ৰভুৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা পঠাবলৈ আমাক আৰ্থিক সহায়ৰ প্ৰয়োজন আছে।

যদি আপুনি আমাৰ **তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ** আলোচনীখন পাবলৈ ইচ্ছা কৰে, তেন্তে আমালৈ পত্ৰ লিখক। যদি আপুনি আপোনাৰ ডাকঘৰৰ ঠিকনা বা ই-মেইল সলনি কৰিবলগীয়া হয়, অনুগ্ৰহ কৰি আমাক জনাওক।

আমাৰ ৱেবচাইটত ১৬ টা ভাষাত **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** পোৱা যাব। চাইটত চাই বা ডাউনলোড কৰি আপুনি পঢ়িব পাৰে আৰু আশীৰ্বাদো পাওক।

আপোনাৰ পত্ৰ, প্ৰাৰ্থনা অনুৰোধসমূহ আৰু আপোনাৰ আৰ্থিক সহায় (ডি.ডি. চেকৰ দ্বাৰা বা এম.অ' ইত্যাদি) তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বাবে তলত দিয়া ঠিকনালৈ পঠাওক।

অনুগ্ৰহ কৰি আপোনাৰ লেণ্ড ফোন/চেল ফোন নং আৰু ই-মেইল ঠিকনা পঠাওক।

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET,
CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
E-mails : sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites : www. echoofhiscall.org / www.echoofhiscall.com

**আপুনি আপোনাৰ বৰঙণিসমূহ অনলাইনৰ যোগেদিও পঠিয়াব পাৰে**

# AN URGENT GOOD NEWS!



Our Residential

**NEHEMIAH BIBLE COLLEGE!!**



re opens *from* 01-06-2021

One Year DIPLOMA COURSE!!!

Hindi & English Medium

@

Velachery, Chennai.

## EVENING BIBLE COLLEGES

(2 Centres - Tamil Medium)

1. NEHEMIAH BIBLE COLLEGE, ECHO OF HIS CALL, 10, Mohammed Abdullah 2nd Street, Bells Road, Chepauk, Chennai - 600 005, India.
2. ST. PAUL'S COMPLEX, 8/18, Velachery Main Road, Santhoshapuram, Vijayanagaram Bus Stop, Medavakkam, Chennai - 600 100.

CONTACT IMMEDIATELY :

**Rev. ALEX SAMSON SAM, Director**
Cell : 98412 71858 / 98410 71858
E.mail : sam@echoofhiscall.org

**The details of our Bank Accounts are given below. Please inform us the details of your remittance.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th MARCH, 2021.
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**